জয়া।—ঠিক, এয়েই উপযুক্ত ছদ্মবেশ। আপুনি নগাৰ বেশ ধৰি নগা পৰ্ব্বতলৈ যাওক। এই নগাৰ আগমন বিধি-প্ৰেৰিত বুলি মোৰ বিশ্বাস জন্মিছে। আহক, পলম নকৰিব, প্ৰতি মুহূৰ্ত্তে বিপদ ওচৰ চাপিছে। (যাবলৈ ধৰি) অ' নহয়, নগাটোক মাতক, তাৰ হোৰা, টুপী কিনি লওঁ।

(গদাপাণি অলপ আগ বাঢ়ি সঙ্কেতেৰে নগাটোক মাতি আনে। তাৰ পাচত জয়মতী আৰু গদাপাণি একেলগে ভিতৰ সোমায়। গদাপাণিৰ ইঙ্গিতমতে নগাটোও পিচে পিচে যায়। অলপ পাচতে এটা চেৰাবলিয়া মগনীয়া গীত গাই সোমাই আহে। তাৰ চোলা ফটা-ছিটা, মূৰত চৰাইৰ পাখি, গাত এখন ফটা কাপোৰ, হাতত এডাল গছৰ ঠাল। গীত শুনি লাই, লেচাই আৰু আন আন লৰা সোমাই আহে, কেইটামান লৰাই পগলাক জোকায়।)

পগলা।—কচুৰ বৰে খুটা কলী কলী কলী ঔ,
মেটেকাৰ মাৰলি কলী কলী কলী ঔ,
জানো ঘৰ হুৰুষাই ভাগে ঔ কলী ঔ
কলী কলী কলী ঔ।
ভিতৰত থাপিছে কলী কলী কলী ঔ,
সোণৰে সিংহাসন কলী কলী কলী ঔ,
ৰথীয়া-পৰীয়া লাগে ঔ কলী ঔ
কলী কলী কলী ঔ।

থাকিবা, যেন গুৰি পকুৱা এটাও বাহিৰ ওলাব নোৱাৰে।

( চাওদাংইতৰ কিছুমান চাৰিওফালে পিয়া-পি দিয়ে। )

জয়।—কি লাগে আপোনালোকক?

চা, ব।—কোঁৱৰক লগ পাব লাগে।

জয়।—কিয়?

চা, ব।—স্বৰ্গদেৱৰ আদেশ। তেওঁ ৰাজদ্ৰোহত লিপ্ত বুলি জনা গৈছে।

জয়।—মিছা কথা।

চা, ব।—মিছা-সঁচা আমি নাজানো। আমি আদেশৰ ভৃত্য। তেওঁ নিজে ধৰা দিলেই দুয়ো পক্ষৰ মঙ্গল।

জয়। তেওঁ ঘৰত নাই।

চা, ব।—হবই নোৱাৰে। এই এড়াঁৰ বেলিৰ আগতে তেওঁ ঘৰ সোমাইছে।

জয়।—সোমাব পাৰে, এতিয়া কিন্তু ঘৰত নাই।

চা, ব।—তেন্তে মই ঘৰত সোমাবলৈ বাধ্য হ'ম। এই স্বৰ্গদেৱৰ আদেশ-পত্ৰ।

জয়।—সোমাব পাৰে। আদেশ-পত্ৰৰ মোৰ প্ৰয়োজন নাই।

চা, ব।—ভাল তেন্তে, সেয়ে হওক।

( অনুচৰ সহ ভিতৰ সোমায়। )

জয়।—এক মুহূৰ্ত্ত! আৰু এক মুহূৰ্ত্ত বিলম্ব হোৱা হলেই স্বামীক

প্ৰয়োজন হৈছে। তেওঁক আমি পোৱা নাই। তেওঁ ক'ত আছে, আমাক তাৰ বাতৰি লাগে।

জয়।—( নিমাত। )

বুঢ়া।—গদাপাণিৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আছে। তেওঁ ৰাজদ্ৰোহৰ ষড়যন্ত্ৰত লিপ্ত বুলি জনা গৈছে।

জয়।—মিছা কথা।

ৰজা।—হ'ব পাৰে মিছা, কিন্তু তাৰ প্ৰমাণ দিয়াৰ ভাৰ তেওঁৰ ওপৰত। তাকে নকৰি তেওঁ পলাই গৈ দোষ বঢ়াইছে কিয়?

বুঢ়া।—এতিয়াও তেওঁৰ দোষ সাব্যস্ত হোৱা নাই। যদি তেওঁ নিজক নিৰ্দ্দোষ বুলি প্ৰমাণ কৰিব পাৰে, কোনেও তেওঁৰ চুলি এডালো স্পৰ্শ নকৰে।

ৰজা।—তুমি নিৰ্ভয়ে বাতৰি দিয়াঁ। কোৱাঁ—তোমাৰ স্বামী ক'ত?

জয়।—মই নকওঁ।

ৰজা।—জয়মতী! মনত ৰাখিবা শাসন-বিধি বৰ কঠোৰ। ই কেচুৱাৰ ধেমালি নহয়। এতিয়াও সময় দিছোঁ। তুমি মোৰ প্ৰশ্নৰ উত্তৰ দিয়াঁ।

জয়।—( নিমাত। )

বুঢ়া।—তুমি বাৰে বাৰে স্বৰ্গদেৱৰ আদেশ অমান্য কৰিছা, নামাতি ৰণ জিকিব খুজিছা। কিন্তু সি নহব। তোমাৰ মুখত কথা নোলালে আমি উলিয়াই লবলৈ বাধ্য হম।

জয়।—মোৰ কথা মই কৈছোঁ। স্বামীৰ সম্পৰ্কে মোৰ পৰা কোনো বাতৰি নাপায়।

ৰজা।—ইমান দম্ভ! শেষ বাৰ মই কৈছোঁ—মোৰ প্ৰশ্নৰ উত্তৰ দিয়া। মনত ৰাখিবা—বিচাৰত মতা-তিৰুতা নাই, ডাঙ্গৰ-সৰু নাই, আপোন-পৰ নাই। যদি তুমি মঙ্গল বাঞ্ছা কৰা, ততালিকে কোৱা গদাপাণি ক'ত।

জয়।—( আপোনা-আপুনি ) মঙ্গল! নিজৰ মঙ্গল!

বিপদ-বহ্নিৰ ঘোৰ জ্বলন্ত কুণ্ডত
স্বামীক অৰ্পণ কৰি আপোন হাতেৰে,
নাৰীৰ মঙ্গল যদি, অমঙ্গল ক'ত ?
নাৰীৰ সম্পদ-সুখ, জ্যোতি জীৱনৰ,
যত দিন নিৰাপদ জীৱন-ঈশ্বৰ।
শাসকৰ দণ্ডাঘাতে, নীচ প্ৰলোভনে,
নন্দনৰ সুধাসনা মুকলি বাহুৱে
পাৰিব নে নিলগাব পূৰ্ব্বে প্ৰলয়ৰ,
সতীক পতিৰ পৰা পথ ভুলোৱাই ?
আচৰিত! ৰজা আজি ইমান অবোধ!

ৰজা।—জয়মতী! উত্তৰ নিদিয়া তুমি ? তুমি জনা উচিত ধৈৰ্য্যৰো সীমা আছে। এই মুহূৰ্ত্তত মোক সম্বিধান লাগে। নহলে—কঠোৰ—অতি কঠোৰ শাস্তি ভোগ কৰিবা।

জয়।—স্বৰ্গদেৱ! আপোনাৰ ক্ষমতা অশেষ, যি ইচ্ছা কৰিব পাৰে। মোৰ সম্বিধান দি থৈছোঁ। মোৰ স্বামীৰ কথা মই নকওঁ।

উপস্থিত শুভক্ষণ। বলি দি ই প্ৰাণ,
পাৰোঁ হে ৰাখিব যদি পতিৰ সম্মান,
ধন্য হ'ব নগণ্য ই নাৰীৰ জীৱন।
পৰিণাম দেশৰ মঙ্গল। ভয় কিয় ?
শাস্তি যে করুণা-ধাৰা বিশ্ব-বিধাতাৰ,
ধুই যত ধূলি-বালি চেঁকা সংসাৰৰ,
নিৰ্ম্মুক্ত নিৰ্ম্মল আত্মা কৰিব স্বাধীন,
প্ৰেৰণাত বিশ্ব জুৰি ব'ব শান্তি-নই।
ইযে মোৰ জীৱনত দেৱ-আশীৰ্ব্বাদ,
আত্ম-পৰীক্ষাৰ এক সুবৰ্ণ-সুযোগ।
( ফুটাই ) স্বৰ্গদেৱ ! ডাঙৰীয়া ! নমস্কাৰ গ্ৰহণ কৰিব।

( বন্দীপাল বৰুৱাই জয়মতীক লৈ যাবলৈ ধৰে। )

ৰজা।—( বহাৰ পৰা উঠি ) কি ! ইমান অহঙ্কাৰ ! বন্দীপাল বৰুৱা ! যিমান কঠোৰ শাস্তিৰ কল্পনা কৰিব পাৰা, তাৰ এটাও বাদ নিদিবা। বেতৰ কোব, চমটা, চোৰাত, আমৰলি—একোৰে বাকী নাৰাখিবা। তেও যদি নকয়, গাৰ মঙহ ডোখৰে ডোখৰে ছিঙ্গি, হাড় গুৰি কৰি, কলিজা ছিৰাছিৰকৈ ফালি অন্তৰৰ পৰা উলিয়াই আনিবা—গদাপাণি ক'ত।

( বেগেৰে গুলাই যায়। )

## দ্বিতীয় অঙ্ক শেষ।

( নেপথ্যত ঢোলৰ শব্দ। সকলোৱে সেই ফাললৈ চায়, এনেতে কান্ধত ঢোল আৰু হাতত এখন দীঘল সাঁচি পাত লৈ দুটা ৰজাঘৰীয়া পাইকৰ প্ৰবেশ। )

১ম পাইক।—( সাঁচি পাত চাই ) প্ৰবল প্ৰতাপান্বিত মহামহিম শ্ৰীল শ্ৰীশ্ৰীশ্ৰীশ্ৰীযুক্ত স্বৰ্গদেৱ চুলিক্‌ফাৰ আদেশ সকলোৱে শুনিবাহঁক।—

( দ্বিতীয় পাইকে ঢোল বজায়। মানুহকেইটা থৰ হয়। আন বাটৰুৱা মানুহ কিছুমান গোট খায়। )

১ম পাইক।—( সাচিপাত চাই ) যেহেতু ৰাজদ্ৰোহী গদাপাণি ভেশ ছন কৰি ফুৰিছে বুলি জনা গৈছে, সেই হেতুকে সমূহ প্ৰজাক জনোৱা যায় যে যেয়ে গদাপাণিৰ মূৰ আনি দিব পাৰিব, সেয়ে এহেজাৰ সোণৰ মোহৰ বঁটা পাব।

( দ্বিতীয় পাইকে ঢোল বজায়। )

যদি কোনোবাই পায়ো গোপন কৰে তাক সবংশে শালত দিয়া হ'ব।

( দ্বিতীয় পাইকে ঢোল বজায়। )

( পুনৰায় পূৰ্ব্ববৎ পাঠ কৰি দুয়ো ওলাই যায়। )

প্ৰ, মানুহ।—গদাকোঁৱৰৰ মূৰ অনাকেইটা হে হয়! লগ পালেইবা আৰু, কায চাপিবলৈ সাহ কৰিব কোনে? জেৰেঙা পথাৰত চাওদাঙৰ মাজতে ওলাইছিল বুলি শুনিছোঁ, তেও দেখোন ধৰি ৰাখিব নোৱাৰিলে একা!

দ্বি, মানুহ।—গদা কোঁৱৰক ধৰাটো বাৰু হৈছে! মুঠেই মাজতে নিৰ্দ্দোষ মানুহ কিছুমানৰ মূৰ যাব।

বন্দৰ।—কিয় ?

পানী।—ইমানবোৰ মানুহ মৰা হৈছে, কিজানি তাৰ ভিতৰত কোনোবাটো গদাকোঁৱৰেই আছিল।

বন্দৰ।—সি যি কি নহওক, সম্প্ৰতি আৰু এটা নতুন বাতৰি আছে, এইখন পঢ়ি চাওক।

( চিঠিখন দিয়ে। পানী ফুকনে পঢ়ে, মুখত আনন্দৰ চিন বিৰিঙ্গে। বন্দৰে তেওঁৰ মুখ-চকুৰ ভঙ্গী সাৱধানে লক্ষ্য কৰে। )

পা, ফু।—কথা দেখোন গুৰুতৰ। হওঁতে অকল উজনীতে নহয়, এই ফালেও সকলোৰে মনৰ ভাব তেনে বুলিয়েই অনুমান হয়।

বন্দৰ।—আপোনাৰ মত কি ?

পা, ফু।—মোৰ মত কি হ'ব! আপুনি যি আদেশ দিয়ে, সেয়েই মোৰ মত।

বন্দৰ।—আপুনি মোৰ প্ৰশ্নটো সন্দেহেৰে লৈছে। সেইটো আপোনাৰ ভুল। মই আপোনাক পৰীক্ষা কৰিব খোজা নাই। অতি সৰলভাবে বিশ্বাসতে আপোনাৰ মতামত জানিব খুজিছোঁ।

পা, ফু।—শুনক তেন্তে। ৰাজ-ভৃত্যস্বৰূপে মোৰ যি মত, ব্যক্তিগত ভাবে সেই মত নহয়। ব্যক্তিগতভাবে মই বৰগোঁহাই ডাঙ্গৰীয়াৰ প্ৰস্তাব সৰ্ব্বান্তঃকৰণে সমৰ্থন কৰোঁ!

বন্দৰ।—তাৰ কাৰণ ?

